# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 18-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। লোকসভা আৰু বিধানসভাত এক তৃতীয়াংশ মহিলা সংৰক্ষণ কাৰ্যকৰী কৰাৰ উদ্দেশ্যেৰে গ্ৰহণ কৰা ১৩১ সংখ্যক সংশোধনী বিধেয়ক ২০২৬ নিম্ন সদনত অনুমোদন লাভ কৰাত ব্যৰ্থ হয়।

২। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ফ্ৰান্সৰ নেতৃত্বত হৰমুজ প্ৰণালীৰ মাজেৰে সামগ্ৰী পৰিবাহী জাহাজ চলাচলৰ বাবে গ্ৰহণ কৰিবলগীয়া সামুদ্ৰিক পদক্ষেপত অংশগ্ৰহণত ভাৰতক আহ্বান জনাইছে।

৩ । চাৰিধাম যাত্ৰাৰ অফলাইন পঞ্জীয়ন কালিৰ পৰা আৰম্ভ হৈছে আৰু ভালেসংখ্যক লোকে এই তীৰ্থযাত্ৰাৰ বাবে পঞ্জীয়ন কৰিছে। *আৰু*

৪ । আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি অনুষ্ঠিত খেলত গুজৰাট টাইটানছে কলকাতা নাইট ৰাইডাৰ্ছক ৫ উইকেটত পৰাস্ত কৰে।

০০০০০

লোকসভা আৰু বিধানসভাত এক তৃতীয়াংশ মহিলা সংৰক্ষণ কাৰ্যকৰী কৰাৰ উদ্দেশ্যেৰে গ্ৰহণ কৰা ১৩১ সংখ্যক সংশোধনী বিধেয়ক ২০২৬ খনে নিম্ন সদনত অনুমোদন লাভ কৰাত ব্যৰ্থ হয়। লোকসভাত উপস্থিত থকা মুঠ ৫২৮ গৰাকী সদস্যৰ ভিতৰত ৩৫২ গৰাকী সদস্যৰ দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰ পৰা বিধেয়কখন কম পৰিল। বিধেয়কখনৰ ওপৰত ভোটদানৰ সময়ত ২৯৮ গৰাকী সাংসদে ইয়াৰ সপক্ষে আৰু ২৩০ গৰাকী সাংসদে বিধেয়কখনৰ বিৰোধিতা কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ভোটদানৰ ফলাফল ঘোষণা কৰি কয় যে এই আইনখন গৃহীত কৰাৰ বাবে প্ৰয়োজনীয় সংখ্যাগৰিষ্ঠতা লাভ কৰাত ব্যৰ্থ হোৱাৰ বাবে আইনখন আগুৱাই লৈ যোৱাটো সম্ভৱ নহল।

ইয়াৰ পিছত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে, সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৬কে ধৰি আন দুখন সংবিধান বিধেয়ক ২০২৬ৰ সৈতে সংলগ্ন, সেয়েহে, এই দুখন বিধেয়ক গৃহীত কৰাৰ বাবে উত্থাপন কৰা নহ'ব।

সংবিধানৰ ১৩১ সংখ্যক সংশোধনী বিধেয়ক, ২০২৬ৰ উদ্দেশ্য আছিল শেহতীয়া প্ৰকাশিত লোকপিয়লৰ ভিত্তিত এটা সীমা নিৰ্ধাৰণৰ অনুশীলনৰ জৰিয়তে লোকসভা আৰু ৰাজ্যিক বিধানসভাত মহিলাৰ বাবে এক তৃতীয়াংশ সংৰক্ষণ কাৰ্যকৰী কৰা। সদনত বিধেয়কখন গৃহীত নোহোৱাত সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৬ গৃহীত কৰাৰ বাবে উত্থাপন কৰা নহল। আজি দিনৰ ১১ বজালৈ সদন স্থগিত ৰখা হৈছে।

সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ত সীমা নিৰ্ধাৰণ আয়োগ গঠনৰ ব্যৱস্থা কৰা হৈছে, যাৰ ফলত লোকসভা আৰু বিধানসভাত মহিলাসকলৰ বাবে আসন সংৰক্ষণৰ সুবিধা প্ৰদান কৰা হৈছে। কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৬ত দিল্লী, পুডুচেৰী আৰু জম্মু-কাশ্মীৰলৈও একেধৰণৰ পৰিৱৰ্তন সম্প্ৰসাৰিত কৰা হৈছে।

ইয়াৰ পূৰ্বে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে লোকসভা আৰু ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভাত মহিলাৰ বাবে সংৰক্ষণ নিশ্চিত কৰাৰ বাবে চৰকাৰে সকলো প্ৰচেষ্টা চলাই আছে। তেওঁ লোকসভাত সংবিধানৰ ১৩১ সংখ্যক সংশোধনী বিধেয়ক ২০২৬, সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬, আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক, ২০২৬ সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰ দিয়ে। তেওঁ কয়, যে এই বিধেয়কসমূহৰ উদ্দেশ্য হৈছে ২০২৯ চনত হ'বলগীয়া লোকসভা নিৰ্বাচনত মহিলাৰ আসন সংৰক্ষিত কৰা।

সীমা নিৰ্ধাৰণৰ বিষয় সন্দৰ্ভত বিৰোধীৰ আশংকা নস্যাৎ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে সীমা নিৰ্ধাৰণৰ বাবে সংবিধানত ব্যৱস্থা কৰা হৈছে আৰু ইয়াৰ ফলত প্ৰতিটো সমষ্টিতে ভোটাৰক যুক্তিসংগত ব্যৱস্থা কৰা হ'ব। কৰ্ণাটক, তামিলনাডু, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা, আৰু কেৰালা ৰাজ্যৰ কথা উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে এই পাঁচখন ৰাজ্যৰ ৫৪৩ খন আসনৰ ভিতৰত বৰ্তমানৰ সংখ্যা ১২৯ খন, যিটো ২৩ দশমিক ৭-৬ শতাংশলৈ বৃদ্ধি পাইছে।

আলোচনাত অংশগ্ৰহণ কৰি লোকসভাৰ বিৰোধী পক্ষৰ নেতা তথা কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে কয়, যে নাৰী শক্তি বন্দন অধিনিয়ম, মহিলাৰ বাবে আসন সংৰক্ষণৰ বিধেয়ক নহয় আৰু মহিলা সবলীকৰণৰ সৈতে ইয়াৰ কোনো সম্পৰ্ক নাই। তেওঁ অভিযোগ কৰে যে এই বিধেয়কসমূহ সংসদলৈ আনি নিৰ্বাচনী মানচিত্ৰ সলনি কৰাৰ প্ৰয়াস কৰা হৈছে। আলোচনাত অংশগ্ৰহণ কৰি শ্ৰীগান্ধীয়ে অভিযোগ কৰে যে ইয়াৰ ফলত দলিত আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলক সমাজত উচিত স্থানৰ পৰা বঞ্চিত কৰিব।

আলোচনাত ভাগ লৈ কেন্দ্ৰীয় মন্ত্ৰী এইচ ডি কুমাৰস্বামীয়ে কয়, যে মহিলাৰ বাবে আসন সংৰক্ষণক অনুগ্ৰহৰ বিষয় নহয়, বৰং সমাজৰ প্ৰতি মহিলাসকলৰ অৱদানৰ উচিত স্বীকৃতি বুলি গন্য কৰা উচিত। নাৰী শক্তি বন্দন অধিনিয়মক লৈ লোকসভাত হোৱা আলোচনাত অংশগ্ৰহণ কৰি কুমাৰস্বামীয়ে কয় যে স্বাধীনতাৰ প্ৰায় ৭৫ বছৰৰ পাছত লোকসভা আৰু ৰাজ্যিক বিধানসভাত মহিলাসকলৰ বাবে ন্যায্য আৰু অৰ্থপূৰ্ণ সংৰক্ষণ নিশ্চিত কৰি চৰকাৰে এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছে।

লোকসভাত চৰকাৰে উত্থাপন কৰা তিনিখন বিধেয়কক সমৰ্থন কৰি কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত মহিলাসকল দেশৰ উন্নয়ন যাত্ৰাত অংশীদাৰ হোৱাই নহয়, বৰং ৰাষ্ট্ৰৰ ভৱিষ্যত গঢ়াৰ বাবে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণকাৰীৰূপে পৰিগণিত হৈছে।

বিতৰ্কত অংশগ্ৰহণ কৰি ডি এম কেৰ সাংসদ কে কানিমোঝিয়ে এই বিধেয়ককেইখনৰ বিৰোধিতা কৰি ২০২৩ বৰ্ষত গৃহীত মহিলা সংৰক্ষণ আইনৰ বিষয়ে চৰকাৰে পৰহি নিশা জাননী কৰাটোক উদ্বেগজনক বুলি অভিহিত কৰে।

কংগ্ৰেছৰ সাংসদ শশী থাৰুৰে কয় যে মহিলাৰ বাবে আসন সংৰক্ষণৰ বিষয়টো সম্প্ৰতি সৰ্বসন্মত ৰাজনৈতিক সিদ্ধান্তৰ দুৱাৰডলিত উপনীত হৈছে বুলি মত প্ৰকাশ কৰে। তেওঁ উদ্বেগ প্ৰকাশ কৰে যে মহিলা সংৰক্ষণ কাৰ্যকৰী কৰাটো সংসদৰ সম্প্ৰসাৰণ আৰু ২০১১ চনৰ লোকপিয়লৰ সংখ্যা আৰু সীমা নিৰ্ধাৰণৰ অনুশীলনৰ সৈতে জড়িত হৈ আছে।

পঞ্চায়তীৰাজ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কয় যে সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াছ হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী আৰু এই লক্ষ্যৰে তিনিওখন বিধেয়ক পূৰণ হোৱাৰ দিশে আগবাঢ়িছে।

টিএমচিৰ সাংসদ কল্যাণ বেনাৰ্জীয়ে বিধানসভা নিৰ্বাচনৰ সময়ত সংসদৰ বিশেষ বৈঠকৰ প্ৰয়োজনীয়তাক লৈ প্ৰশ্ন উত্থাপন কৰি ইয়াক অন্যায় আৰু দুৰ্ভাগ্যজনক বুলি অভিহিত কৰে। তেওঁ কয় যে দলটোৱে মহিলা সংৰক্ষণক সমৰ্থন কৰে, কিন্তু সংসদৰ বৰ্তমানৰ সামৰ্থ্যৰ ওপৰত ইয়াক কাৰ্যকৰী কৰিব লাগিব বুলি দাবী জনায়।

সমাজবাদী পাৰ্টিৰ ডিম্পল যাদৱে কয় যে কেন্দ্ৰই যদি মহিলাসকলক ন্যায় প্ৰদান কৰিব বিচাৰে তেন্তে তেওঁলোকে কন্যা সন্তানৰ শিক্ষাৰ দিশত কাম কৰিব লাগিব। এছ এ ডিৰ হৰচিমৰাট কৌৰ বাদলে দাবী জনাই যে কোনো সীমাবদ্ধতা নোহোৱাকৈ সংসদৰ বৰ্তমানৰ ক্ষমতাৰ ওপৰত মহিলা সংৰক্ষণ কাৰ্যকৰী কৰিব লাগিব।

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী অনুপ্ৰিয়া পেটেলে কয় যে ৰাষ্ট্ৰ নিৰ্মাণত মহিলাসকলৰ অংশগ্ৰহণ বৃদ্ধিৰ বাবে এয়া এক ঐতিহাসিক বৈঠক।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ফ্ৰান্সৰ নেতৃত্বত হৰমুজ প্ৰণালীৰ মাজেৰে সামগ্ৰী পৰিবাহী জাহাজ চলাচলৰ বাবে গ্ৰহণ কৰিবলগীয়া সামুদ্ৰিক পদক্ষেপত অংশগ্ৰহণত ভাৰতক আহ্বান জনোৱা বুলি আনুষ্ঠানিকভাৱে চৰকাৰে নিশ্চিত কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে এই আমন্ত্ৰণৰ কথা নিশ্চিত কৰিছে। উল্লেখযোগ্য যে হৰমুজ প্ৰণালীৰে সমগ্ৰ বিশ্বৰ ২০ শতাংশ তেল পৰিবহণ হোৱা হেতুকে ই বিশ্বৰ মুখ্য শক্তি কৰিডৰৰূপে পৰিগণিত হৈছে আৰু ইয়াৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে আন্তঃৰাষ্ট্ৰীয় সমুদায়ে পদক্ষেপ লৈছে।

০০০০০

চাৰিধাম যাত্ৰাৰ অফলাইন পঞ্জীয়ন কালিৰ পৰা আৰম্ভ হৈছে আৰু দুহেজাৰ ৭১৩ গৰাকী তীৰ্থযাত্ৰীয়ে প্ৰথম দিনাই যাত্ৰাৰ বাবে পঞ্জীয়ন কৰিছে। চৰকাৰী সূত্ৰ অনুসৰি ৬৮৩ গৰাকী যাত্ৰীয়ে যমুনত্ৰী, ৬৯০ গৰাকীয়ে গংগোত্ৰী, ৬৬৭ গৰাকীয়ে কেদাৰনাথ আৰু ৬৭৩ গৰাকীয়ে বদ্ৰীনাথ যাত্ৰাৰ বাবে পঞ্জীয়ন কৰিছে। আনহাতে অনলাইন পঞ্জীয়ন যোৱা ৬ মাৰ্চতে মুকলি কৰি দিয়া হৈছে। প্ৰায় ১৮ লাখ ২৩ হাজাৰ তীৰ্থযাত্ৰীয়ে যাত্ৰাৰ বাবে ডিজিটেল পদ্ধতিৰে পঞ্জীয়ন কৰিছে। অনলাইন আৰু অফলাইন দুয়োটা ব্যৱস্থাৰ জৰিয়তে মুঠ ১৮ লাখ ২৫ হাজাৰ তীৰ্থযাত্ৰীয়ে পঞ্জীয়ন কৰিছে। কাইলৈ অক্ষয় তৃতীয়া উপলক্ষে তীৰ্থযাত্ৰীসকলৰ যাত্ৰা আৰম্ভ হ'ব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা হায়দৰাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত গুজৰাট টাইটানছে কলকাতা নাইট ৰাইডাৰ্ছক ৫ উইকেটত পৰাস্ত কৰে। কলকাতা নাইট ৰাইডাৰ্ছে নিৰ্ধাৰণ কৰি দিয়া ১৮১ ৰানৰ লক্ষ্য গুজৰাট টাইটানছে ১৯ অভাৰ ৪টা বলতে অতিক্ৰম কৰে। শুভমন গিলক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

চলিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত দেলহী কেপিটেলছ আৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে জয়লাভৰ পাছত গুজৰাট টাইটানছৰ এয়া তৃতীয়টো বিজয়। চলিত বৰ্ষৰ প্ৰতিযোগিতাৰ ৫ খন

খেলৰ গুজৰাট টাইটানছে ৬ পইণ্ট অৰ্জনেৰে পইণ্ট তালিকাৰ চতুৰ্থ স্থাপন উপনীত হৈছে। তিনিবাৰৰ বিজয়ী কলকাতা নাইট ৰাইডাৰ্ছ বৰ্তমান পইণ্ট তালিকাৰ নিম্ন স্থানত আছে।

প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত অনুষ্ঠিত হ'ব। আনহাতে হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত